অসম

ITEP পাঠ্যক্ৰমৰ মাচুল সম্পূৰ্ণৰূপে বিনামূলীয়া কৰাৰ দাবী ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

প্ৰকাশ: ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৬



(Nasidur Rahman)

ITEPৰ অধীনৰ B.A. B.Ed., B.Com. B.Ed. আৰু B.Sc. B.Ed. পাঠ্যক্ৰমৰ মাচুল সম্পূৰ্ণৰূপে বিনামূলীয়া কৰাৰ দাবী জনাই কেন্দ্ৰীয় শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে।

আজি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি ফেৰদৌছ জিন্নাৰ নেতৃত্বত সংগঠনটোৰ এটা সঁজাতি দলে নতুন দিল্লীৰ কৰ্তব্য ভৱনত উপস্থিত হৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰীলৈ এই স্মাৰকপত্ৰ প্ৰদান কৰে। অসমৰ শিক্ষাৰ্থীসকলৰ ওপৰত ITEP পাঠ্যক্ৰমৰ নামভৰ্তি আৰু অন্যান্য মাচুলৰ বৃহৎ আৰ্থিক বোজা পৰাৰ অভিযোগ উত্থাপন কৰি সংগঠনটোৱে পাঠ্যক্ৰমকেইটা সম্পূৰ্ণৰূপে বিনামূলীয়া কৰাৰ দাবী জনায়।

সংগঠনটোৰ দাবী অনুসৰি, ভাৰতৰ বিভিন্ন ৰাজ্যত এই চাৰি বছৰীয়া পাঠ্যক্ৰমসমূহ তুলনামূলকভাৱে কম মাচুলত অধ্যয়ন কৰাৰ সুবিধা আছে। তেওঁলোকৰ অভিযোগ, দিল্লীত ছেমিষ্টাৰ মাচুল, হোষ্টেল মাচুল, নামভর্তি মাচুল, প্ৰ-পত্ৰ পূৰণ আৰু পঞ্জীয়ন মাচুলকে ধৰি সকলো মিলাই মাত্ৰ ১২ হাজাৰ টকাত পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ সুবিধা আছে। একেদৰে গুজৰাটত প্ৰায় ১৫ হাজাৰ টকাত এই পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰি বুলি সংগঠনটোৱে দাবী কৰিছে।

ইয়াৰ বিপৰীতে অসমত B.A. B.Ed., B.Com. B.Ed. আৰু B.Sc. B.Ed. পাঠ্যক্ৰম সম্পূৰ্ণ কৰিবলৈ প্ৰায় চাৰি লাখ টকা ব্যয় কৰিবলগীয়া হয় বুলি অভিযোগ কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে। সংগঠনটোৰ মতে, কেৱল নামভর্তিৰ বাবেই প্ৰতিটো ছেমিষ্টাৰত ২৫ হাজাৰৰ পৰা ২৭ হাজাৰ টকা পর্যন্ত আদায় লোৱা হয়। আঠটা ছেমিষ্টাৰৰ হিচাপত কেৱল এই মাচুলৰ পৰিমাণ প্ৰায় দুই লাখ টকালৈ বৃদ্ধি পায়।

আন ৰাজ্যত কম মাচুলত এই পাঠ্যক্ৰমসমূহ অধ্যয়নৰ সুবিধা থাকিলে অসমতো কিয় একেধৰণৰ সুবিধা প্ৰদান কৰিব নোৱাৰি, সেই প্ৰশ্ন উত্থাপন কৰিছে সংগঠনটোৱে। অসমৰ শিক্ষার্থীৰ আর্থিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰমকেইটাৰ মাচুল সম্পূৰ্ণৰূপে ৰেহাই দিয়াৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে।

উল্লেখ্য যে, আন ৰাজ্যৰ মাচুলৰ পৰিমাণ আৰু অসমৰ মাচুল সম্পর্কে উত্থাপিত তথ্যসমূহ সংগঠনটোৰ দাবী। এই সন্দর্ভত সংশ্লিষ্ট কর্তৃপক্ষৰ আনুষ্ঠানিক বক্তব্য লাভ কৰা হোৱা নাই।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5822/itep-pathyokromor-masul-sompurnorupe-binamuliya-korar-dabi-satr-mukti-snggram-so